66

Total No. of Printed Pages—3

**3 SEM TDC ASM M 2**

**2 0 1 7**

( November )

ASSAMESE

( Major )

Course : 302

( অসমীয়া কবিতাৰ অধ্যয়ন )

*Full Marks* : 80

*Pass Marks* : 32/24

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) প্ৰত্ন অসমীয়া ভাষাৰ লিখিত নিদৰ্শন পোনপ্ৰথমে কোনখন পুথিত লাভ কৰিছিল?

(খ) 'শূন্যপুৰাণ' কাৰ দ্বাৰা ৰচিত?

(গ) 'বৰছা কুঁৱৰী' তোমাৰ পাঠ্য কোনটো কবিতাৰ লগত জড়িত?

(ঘ) "মাকতকৈ জীয়েক কাজী
ঢেঁকী থোৱালৈ বাটে পাঁজি।"

পংক্তি দুটা কোনটো কবিতাৰ অন্তৰ্গত?

(ঙ) শংকৰদেৱে 'অপ্ৰমাদী কবি' বুলি আখ্যা দিয়া কবিগৰাকী কোন?

(চ) নলিনীবালা দেৱীয়ে কোনখন কাব্যগ্রন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

(ছ) 'হে অৰণ্য হে মহানগৰ' কোনজন কবিৰ কাব্যগ্রন্থ ?

(জ) যাজ্ঞসেনী কোন ?

২। (ক) প্ৰাক্‌শংকৰী যুগৰ কাব্য-সাহিত্যৰ এটি পৰিচয়মূলক বিশ্লেষণ আগবঢ়োৱাঁ। ১৫

অথবা

(খ) ৰোমাণ্টিক যুগৰ কবিতাৰ বিশেষত্ব সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ।

৩। (ক) জুনাগীতৰ এটি পৰিচয়মূলক টোকা লিখি 'কপাহৰ জুনা' কবিতাটোৰ মূল কথাখিনি গদ্য-ভাষাৰে লিখাঁ। ৪+১০=১৪

অথবা

(খ) 'ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত'ৰ বিষয়বস্তুৰ এটি আভাস দাঙি ধৰাঁ। ১৪

৪। (ক) 'সুন্দৰাকাণ্ড'ৰ কাব্যখণ্ডত প্ৰকাশিত প্ৰকৃতি-চিত্ৰণ আৰু নগৰৰ বৰ্ণনা সম্পৰ্কে বিৱৰি লিখাঁ। ৭+৭=১৪

অথবা

(খ) 'খেদ' নামৰ কবিতাটোত প্ৰকাশ পোৱা কবিৰ অনুশোচনা সম্পৰ্কে আলোচনা কৰাঁ। ১৪





৫। (ক) 'একুৰা জুই' কবিতাটোৰ মাজত ফুটি উঠা কবিৰ জাতীয়তাবাদী স্বদেশপ্ৰেমৰ বিষয়ে এটি টোকা যুগুত কৰাঁ। ১৫

অথবা

(খ) 'চিৰচেনেহী মোৰ ভাষাজননী' কবিতাটোৰ ভাৱাৰ্থ সহজ ভাষাৰে লিখাঁ।

৬। (ক) প্ৰতীকধৰ্মী কবিতা হিচাপে 'সমুদ্ৰভীতি' কবিতাটোৰ মূল ভাৱ লিখাঁ। লগতে চিত্ৰকল্পৰ প্ৰয়োগ সম্পৰ্কে চমুকৈ লিখাঁ। ৮+৬=১৪

অথবা

(খ) নৱকান্ত বৰুৱাৰ কবি-পৰিচয় দাঙি ধৰি 'ইয়াত নদী আছিল' কবিতাটিৰ আলমত আধুনিক কবিতাৰ বৈশিষ্ট্য বিচাৰ কৰাঁ। ৪+১০=১৪

★★★